

## এইটো পযেকতে ঘটিছিল

সন্ত্ৰাসবাদীৰ আক্ৰমণত ধ্বংস ‘ৱৰ্ল্ড ট্ৰেড ছেণ্টাৰ’

### আমেৰিকাত ইতিহাসৰ আটাইতকৈ ভয়াৱহ সন্ত্ৰাসবাদী আক্ৰমণ

■ ২০০১ চনৰ ১১ ছেপ্টেম্বৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইতিহাসত আটাইতকৈ ভয়াৱহ সন্ত্ৰাসবাদী আক্ৰমণটো সংঘটিত হয়।

সন্ত্ৰাসবাদীয়ে প্ৰায় একে সময়তে আমেৰিকাৰ চাৰিখন বাণিজ্যিক জেটলাইনাৰ বিমান অপহৰণ কৰে। তাৰে দুখনক সন্ত্ৰাবাদীয়ে বলপূৰ্বকভাৱে নিউয়ৰ্কৰ ‘ৱৰ্ল্ড ট্ৰেড ছেণ্টাৰ’ৰ ১১০ মহলীয়া যুগ্ম ভৱন দুটাত খুন্দা মাৰিবলৈ বাধ্য কৰে, আন এখনে আমেৰিকাৰ সামৰিক ঘাটি পেণ্টাগনৰ কাৰ্যালয়ত (ৱাশ্বিংটনৰ ওচৰত) আঘাত কৰে। পেনছিলভেনিয়াত, পিটছবাৰ্গৰ পৰা ১৩০ কিল'মিটাৰ দূৰত চতুৰ্থখন বিমান আন এটা আক্ৰমণত বিফল হৈয়েই সম্ভৱতঃ ভূপতিত হয়। এই আক্ৰমণৰ ফলত ‘ৱৰ্ল্ড ট্ৰেড ছেণ্টাৰ’ৰ সুউচ্চ ভৱন দুটা সম্পূৰ্ণভাৱে ধ্বংস হৈ যায়। পাঁচ হাজাৰৰো অধিক লোকৰ মৃত্যু ঘটে। পেণ্টাগন কাৰ্যালয়তো কেইবাশ লোকৰ মৃত্যু হয়।

‘আল কায়দা’ নামৰ সন্ত্ৰাসবাদী সংগঠনটোৰ মুৰব্বী ওছামা বিন লাডেনকে এই ভয়াৱহ আক্ৰমণৰ মূল পৰিকল্পনাকাৰী বুলি চিহ্নিত কৰা হয়। পাছত আমেৰিকা যুক্তৰাজ্যই লাডেনৰ সন্ধানত সমগ্ৰ আফগানিস্তানকে আক্ৰমণ কৰি ছাৰখাৰ কৰি পেলায় যদিও লাডেনক জীৱিত বা মৃত অৱস্থাত ধৰা পেলাব নোৱাৰিলে। অৱশেষত ২০১১ চনৰ ১ মে'ৰ নিশা মাৰ্কিন নৌ বাহিনীৰ SEAL গোটৰ সেনাই পাকিস্তানৰ এবটাবাদৰ এটা গোপন আস্থানত অতৰ্কিতে আক্ৰমণ চলাই লাডেনক নিহত কৰে।

## জানিও নাজানো কি

### ড্ৰাই ক্লিনিং

■ ড্ৰাই ক্লিনিং (Dry Cleaning) হ'ল পানীৰ বাহিৰে আন জুলীয়া দ্ৰাৱক ব্যৱহাৰ কৰি কাপোৰ, ছামৰা বা ফাৰ (fur) পৰিষ্কাৰ কৰা পদ্ধতি।

অষ্টাদশ শতিকাৰ পৰাই গ্ৰিজ জাতীয় (grease) পদাৰ্থৰ দাগ আঁতৰাবলৈ পানীৰ সলনি আন দ্ৰাৱক ব্যৱহাৰ কৰাৰ কৌশল ইউৰোপত প্ৰচলিত আছিল। অৱশ্যে আধুনিক ড্ৰাই ক্লিনিং পদ্ধতিৰ মূল নীতি আৱিষ্কাৰ হয় আকস্মিকভাৱে ১৮২৫ চনত। সেই বছৰৰেই কোনোবা এদিন ফ্ৰান্সৰ পেৰিছত বেপ্টিষ্ট জোলি নামৰ এজন লোকৰ ঘৰৰ টেবুল ক্লথখনৰ ওপৰত কেনেবাকৈ অলপ পেট্ৰল পৰিল। তেওঁ টেবুল ক্লথখন পৰিষ্কাৰ কৰাৰ সময়ত দেখিলে যে যি ঠাইত পেট্ৰল পৰিছিল, সেই ঠাইডোখৰ শুকুৱাৰ পাছত অধিক পৰিষ্কাৰ আৰু উজ্জ্বল হৈ পৰিছে। এই নতুন আৱিষ্কাৰক তেওঁ আগৰ চাবোন আৰু পানীৰে কাপোৰ ধোৱা পদ্ধতিৰ লগত পৃথক কৰি ৰাখিবলৈ ‘ড্ৰাই ক্লিন’ হিচাপে নামকৰণ কৰে। ফ্ৰান্সত উদ্ভাৱন হোৱা বাবে আগতে ইয়াক ‘ফ্ৰেন্স ক্লিন’ হিচাপে জনা গৈছিল। অৱশ্যে ঊনবিংশ শতিকাৰ মাজ ভাগলৈকে বাণিজ্যিকভাৱে এনে পদ্ধতি ব্যৱহাৰ হোৱা নাছিল। সেই সময়তেই কেৰাছিন আৰু টাৰ্পেনটাইনৰ চাফা কৰা গুণ কিছুমান আৱিষ্কৃত হয়। এই পদ্ধতিৰে ফ্ৰান্সত বাণিজ্যিকভাৱে ড্ৰাই ক্লিনিং আৰম্ভ কৰা হয়।

ড্ৰাই ক্লিনিং পদ্ধতিত কাপোৰৰ শ্ৰেণী অনুযায়ী (আৰু চাফা কৰিবলগীয়া দাগৰ প্ৰকাৰ অনুযায়ী) ভাগ কৰি সেইবোৰ ড্ৰাইক্লিন ড্ৰামত ভৰাই দিয়া হয়। তাৰ মাজেদি নিৰ্দিষ্ট দ্ৰাৱক আৰু ডিটাৰজেণ্টৰ মিশ্ৰণ পাৰ হৈ যাবলৈ দিয়া হয়। চাফা হোৱাৰ পাছত দ্ৰাৱকখিনি আঁতৰাই কাপোৰবোৰ এটা কেবিনেটত শুকোৱা হয়। অৱশিষ্ট দাগ যদি কিবা ৰৈ যায়, তেতিয়া তাক দ্ৰাৱকৰ সহায়ত হাতেৰে ধুই আঁতৰোৱা হয়। তাৰ পাছত ভাপ-বায়ু (steam-air) ব্যৱহাৰ কৰি শোটোৰা-শোটোৰবোৰ দূৰ কৰা হয়।

কিছুমান বিশেষ কাপোৰ পানীৰে ধুলে নষ্ট হোৱাৰ আশংকা থাকে। তদুপৰি কিছুমান দাগ পানীৰে আঁতৰাবও নোৱাৰি। মূলতঃ এই দুটা অসুবিধাকে মূলধন কৰি ড্ৰাই ক্লিনিং উদ্যোগে ঠন ধৰি উঠিছে আৰু জনপ্ৰিয়তা অৰ্জন কৰিছে। সাম্প্ৰতিক কালত ড্ৰাই ক্লিন পদ্ধতিৰ বহু উন্নতি সাধন কৰাও হৈছে।

## গীত-বাদ্য-নৃত্য-চিত্ৰ

### বেহেলা

■ প্ৰাচ্য বা পাশ্চাত্য সকলো ধৰণৰে সংগীতত বহুলভাৱে ব্যৱহৃত তাঁৰত ৰেপি বজোৱা বাদ্যযন্ত্ৰ বেহেলা ভায়োলিন (Violin) নামেৰেও সমধিক পৰিচিত। একাদশ শতিকাত আৰবসকলৰ ‘ৰিবেক’ বাদ্যৰ অনুকৰণত ইটালিত ‘ভিয়ল’ নামৰ এবিধ বেহেলা সদৃশ বাদ্য নিৰ্মাণ কৰা হৈছিল। ‘অমৃতি’, ‘ৰবাব’ আদি প্ৰাচীন ভাৰতীয় বাদ্যৰ লগতো বেহেলাৰ কিছু সাদৃশ্য আছে। অৱশ্যে আধুনিক প্ৰকাৰৰ বেহেলা প্ৰথম নিৰ্মাণ হয় ষোড়শ শতিকাৰ ইউৰোপত। ইউৰোপৰ এনড্ৰিয়া আমাটি, এণ্টলিঅ' ষ্ট্ৰাডিভাৰি, জেকব ষ্টাইনাৰ আদিৰ চেষ্টাত বেহেলাই বৰ্তমানৰ ৰূপ পাইছেহি।

বেহেলাৰ প্ৰধান অংগটো পাতল শুকান কাঠেৰে নিৰ্মিত। এই অংগৰ ভাগ দুটা ঃ বেলি বা ড্ৰাম (belly or drum) আৰু ফিংগাৰ ব'ৰ্ড (finger board)। ফিংগাৰ ব'ৰ্ডৰ তলৰ গোল অংশটোকে কোৱা হয় ধাড়ি। ফোপোলা বেলিৰ কাষৰ কাঠৰ অংশবোৰক ৰিবছ বা ছাইডছ (Ribs or Sides) বোলে।



বেলিৰ ওপৰত, শেষ প্ৰান্তত টেইলপিছ (Tailpiece) নামৰ এটা কাঠৰ অংশ আছে। টেইলপিছৰ পৰা এটা কাঠৰ ব্ৰিজৰ ওপৰেদি চাৰিডাল তাঁৰ সংযোগ কৰা হয়। তাঁৰ কেইডালৰ আন মূৰকেইটা ধাড়িৰ পেগত (peg) বন্ধা থাকে। পেগকেইটা আৰু চাৰিটা এডজাষ্টাৰেৰে (Adjuster) তাঁৰৰ সুৰ মিলোৱা হয়। বেহেলাখন থুঁতৰিৰে ধৰি ৰাখিবলৈ টেলপিছৰ ওচৰত এখন চিনৰেষ্ট (chinrest) থাকে। এডাল ব'ৰে (Bow) বেহেলা বজোৱা হয়। ব'ডালত ঘোঁৰাৰ ফান লগোৱা থাকে, তাক কোৱা হয় ব'-হেয়াৰ (bow-hair)।

পৃথিৱীৰ প্ৰায় সকলো দেশতে বেহেলা বজোৱা হয়। পাশ্চাত্য সংগীতত বেহেলা এটা অপৰিহাৰ্য অংগ। ভাৰতীয় শাস্ত্ৰীয় সংগীততো (উত্তৰ ভাৰতীয় আৰু কৰ্ণাটকী দুয়ো প্ৰকাৰতে) বেহেলাৰ বিশেষ স্থান আছে। বেহেলাক আন বাদ্য বা গীতৰ লগত সংগত বাদ্য হিচাপে